Total No. of Printed Pages—3

**5 SEM TDC DSE ASM (CBCS) 1 (A) (H)**

**2022**

( Nov/Dec )

ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE–1 (A)

**( অসমীয়া ব্যাকৰণ, অভিধান আৰু জতুৱা প্ৰয়োগ )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়াঁ : ১×৮=৮

(ক) অসমীয়া ভাষাত স্বৰৰ হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য আছেনে ?

(খ) অসমীয়া ভাষাত প্ৰত্যেকটো আখৰৰ সুকীয়া উচ্চাৰণ আছেনে ?

(গ) এটা উপসৰ্গ যোগ কৰি এটা শব্দ গঠন কৰাঁ।

(ঘ) ণত্ববিধিৰ নিয়ম প্ৰযোজ্য নোহোৱা এটা শব্দ লিখাঁ।

(ঙ) অসমীয়া ভাষাৰ বচন ব্যাকৰণগত হয়নে?

(চ) চন্দ্ৰবিন্দু (ঁ) বৰ্ণ হয়নে?

(ছ) 'অসমীয়া ভাষাৰ উচ্চাৰণ' গ্ৰন্থখনৰ লিখক কোন?

(জ) 'কৰ্ম্ম' আৰু 'কৰ্ম' অসমীয়া আখৰ-জোঁটনিৰ মতে কোনটো শুদ্ধ, লিখাঁ।

২। (ক) অসমীয়া ভাষাত আখৰ-জোঁটনি ভুল হোৱাৰ কাৰণসমূহ উল্লেখ কৰি আখৰ-জোঁটনিৰ বিধিসমূহ লিখাঁ। ৫+১০=১৫

*অথবা*

(খ) 'অসমীয়া ভাষাৰ উচ্চাৰণ'—শীৰ্ষক এটি আলোচনা আগবঢ়োৱাঁ। ১৫

৩। (ক) প্ৰত্যয় কাক বোলে? অসমীয়া ভাষাত কৃৎ প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয়ৰ যোগত শব্দৰ গঠন সম্পৰ্কে বুজাই লিখাঁ। ২+১২=১৪

*অথবা*

(খ) অসমীয়া ভাষাৰ বচনবাচক সৰ্গ আৰু লিঙ্গবাচক সৰ্গৰ ব্যৱহাৰ সম্পৰ্কে বুজাই লিখাঁ। ৭+৭=১৪

৪। (ক) অসমীয়া অভিধানৰ পৰিচয়মূলক এটি টোকা প্ৰস্তুত কৰি অসমীয়া অভিধানত প্ৰয়োগ হোৱা সংক্ষিপ্ত ৰূপবোৰৰ বিষয়ে লিখাঁ। ৭+৭=১৪

*অথবা*

(খ) চমু টোকা লিখাঁ : ৭+৭=১৪

(১) হেমকোষ অভিধান

(২) শৰাইঘাট অভিধান

৫। (ক) প্ৰশাসনিক পৰিভাষা বুলিলে কি বুজা? অসমীয়া ভাষাত প্ৰয়োগ হোৱা প্ৰশাসনিক পৰিভাষাৰ বিষয়ে উদাহৰণ দি বুজাই লিখাঁ। ৩+১২=১৫

*অথবা*

(খ) পৰিভাষাৰ বিষয়ে সকলো দিশ সামৰি এটি প্ৰবন্ধ লিখাঁ। ১৫

৬। (ক) চমু টোকা লিখাঁ : ৭+৭=১৪

(১) জতুৱা ঠাঁচ

(২) খণ্ডবাক্য

*অথবা*

(খ) অৰ্থ লিখি বাক্য ৰচনা কৰাঁ : ২×৭=১৪

অথাই-সাগৰত পৰা ; কাঠ-চিতীয়া ; অহুকাণে-পহুকাণে ; গহৰা গজা ; চকুত ধূলি-মাৰ ; চালে চকু-ৰোৱা ; ধোঁৱা-খুলীয়া।

★★★